Total No. of Printed Pages—3

**4 SEM TDC GEAS (CBCS) 4**

**2022**

( June/July )

ASSAMESE

( Generic Elective )

Paper : GE–4

**( Sociology of Literature )**

*Full Marks* : 80

*Pass Marks* : 32

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। চমু উত্তৰ দিয়াঁ : ১×৮=৮

(ক) 'সাহিত্যৰ সমাজতত্ত্ব' বিষয়টোৰ প্ৰৱৰ্তক বুলি কাক কোৱা হয়?

(খ) 'জীৱনৰ বাটত' উপন্যাসটো কোন চনত প্ৰথমে প্ৰকাশ হৈছিল?

(গ) 'পাঠকৰ দৰ্পণত অসমীয়া সাহিত্য' গ্ৰন্থখনৰ ৰচক কোন?

22P/1294

*(Turn Over)*

(ঘ) *Sociology of Indian Literature* গ্ৰন্থৰ প্ৰণেতা কোন?

(ঙ) 'অভিযাত্ৰী' কোন শ্ৰেণীৰ উপন্যাস?

(চ) "ভুল কৰিছে ডাঙৰীয়া, সেইখন সমাজত কোনো সম্প্ৰদায়েই নাই—হিন্দু নাই, মুছলমান নাই, পাৰ্চি নাই, খ্ৰীষ্টান নাই, জাতি নাই, অজাতি নাই, ধনী নাই, নিৰ্ধনী নাই। আল্লাৰ আশীৰ্বাদ লৈ অহা সেই মহান সমাজখন হ'ল মহান মানৱ সমাজ।" কথাষাৰৰ বক্তা কোন?

(ছ) বীণা বৰুৱা কাৰ ছদ্মনাম?

(জ) 'মগ্‌ৰীবৰ আজান' নাটকৰ নাট্যকাৰ কোন?

২। (ক) "সাহিত্য সমাজৰ দৰ্পণ"—কথাষাৰৰ আধাৰত সাহিত্য-সমালোচনাত সামাজিক প্ৰসংগ অৱতাৰণাৰ প্ৰয়োজনীয়তা বিচাৰ কৰাঁ। ১৪

*অথবা*

(খ) সাহিত্য আৰু সমাজৰ সম্বন্ধ সম্পৰ্কে থকা বিভিন্ন ধাৰণাসমূহৰ বিষয়ে এটি পৰিচয়মূলক টোকা লিখাঁ।

৩। (ক) 'সমাজতত্ত্ব'ৰ সংজ্ঞা দি সাহিত্যৰ সমাজতত্ত্বৰ উৎপত্তি আৰু বিকাশ সম্পৰ্কে বহলাই আলোচনা কৰাঁ। ১৫

*অথবা*

(খ) সাহিত্যৰ সমাজতত্ত্বৰ সংজ্ঞা দি স্বৰূপ নিৰ্ণয় কৰাঁ।





৪। সাহিত্য সৃষ্টিত সমাজে পালন কৰা ভূমিকা আৰু সাহিত্যই সমাজত পেলোৱা প্ৰভাৱৰ বিষয়ে বহলাই আলোচনা কৰাঁ। ৮+৮=১৬

৫। (ক) সাহিত্যৰ সমাজতাত্ত্বিক অধ্যয়নৰ প্ৰধান দিশকেইটা উল্লেখ কৰি যি কোনো এটাৰ গুৰুত্ব আৰু তাৎপৰ্য বিচাৰ কৰাঁ। ১২

*অথবা*

(খ) পাঠকৰ দৃষ্টিৰে সাহিত্যৰ প্ৰয়োজনীয়তাসমূহ ফঁহিয়াই দেখুওৱাঁ।

৬। (ক) ফণী শৰ্মাৰ 'চিৰাজ' নাটকত সাম্প্ৰদায়িক সম্প্ৰীতিৰ ছবিখন কিদৰে অংকিত হৈছে, বিৱৰি লিখাঁ। ১৫

*অথবা*

(খ) 'জীৱনৰ বাটত' উপন্যাসৰ তগৰ *অথবা* 'অভিযাত্ৰী' উপন্যাসৰ চন্দ্ৰপ্ৰভা চৰিত্ৰৰ আধাৰত অসমীয়া সমাজত নাৰীৰ স্থান নিৰ্ণয় কৰি এটি টোকা প্ৰস্তুত কৰাঁ।

★★★